শ্ৰীশ্ৰীদুৰ্গা শৰণম্

প্ৰাচীন কামৰূপীয় ব্ৰাহ্মণৰ ইতিহাস



গন্ধিয়া গ্ৰাম নিবাসী

শ্ৰীআদ্যনাথ ভট্টাচাৰ্য্য জ্যোতিষৰত্ন

দ্বাৰা

সম্পাদিত ও প্ৰকাশিত



মূল্য ৵০ দুই অনা মাত্ৰ

শ্ৰীশ্ৰীদুৰ্গা শৰণম্

প্ৰাচীন কামৰূপীয় ব্ৰাহ্মণৰ
ইতিহাস

—⁂—

গন্ধিয়া গ্ৰাম নিবাসী

।আদ্যনাথ ভট্টাচাৰ্য্য জ্যোতিৰত্ন

দ্বাৰা

সম্পাদিত ও প্ৰকাশিত

——:*:——

মূল্য ৵০ দুই অনা মাত্ৰ

ভূমিকা।

বহুদিনৰেপৰা কামৰূপীয় ব্ৰাহ্মণৰ ইতিহাস এখনি সংগ্ৰহ কৰি ছপা কৰিবৰ কাৰণে মোৰ আন্তৰিক আগ্ৰহ থকা সত্বেও ই কাৰ্য্যত পৰিণত হৈ উঠা নাছিল। এই বিষয়ে অনেক শাস্ত্ৰ আলোচনা কৰি এই পুথিখনি ৰচনা কৰা হৈছে। সৰ্ব্ব সাধাৰণৰ মনৰ ভ্ৰান্তি দূৰীকৰণৰ উদ্দেশ্যে আৱশ্যক মতে ইয়াত মুলশ্লোক তুলি দি পুথিখনি যথাসম্ভব বোধগম্য কৰিবৰ চেষ্টা কৰা হৈছে।

অতি পুৰণিকালৰেপৰা প্ৰাচীন কামৰূপত অৰ্থাৎ অসমত ব্ৰাহ্মণ জাতিৰ বসতি আছে। বৰ্ত্তমানে এই ব্ৰাহ্মণৰ দুটা বিভাগ দেখা যায়। এই দুই বিভাগৰ মাজত কন্যা আদানপ্ৰদান প্ৰচলিত নাই। আৰু ইয়াৰ সংখ্যা গৰিষ্ঠ দলটোৱে আনটোক "দৈবজ্ঞ" নামে অভিহিত কৰে। কিন্তু মূলতঃ দেখা যায় এই দৈবজ্ঞ শব্দ জাতিবাচক নহয়, গুণ বাচক হে। এই পুথিখনিত তাৰ বিশদভাবে আলোচনা কৰা হৈছে। সহৃদয় পাঠকবৰ্গই পুথিখনি এবাৰ চকুফুৰাই চালে ইয়াৰ সত্যাসত্য বিচাৰ কৰি উলিয়াব পাৰিব।

অৱশ্যে দৈবজ্ঞ বা গণকজাতি এটা বঙ্গদেশত আছে; সি অন্ত্যজ জাতি বুলি ঘৃণিত। কিন্তু কামৰূপত সেই ঘৃণিত জাতিৰ বসতি নাই; বহু শাস্ত্ৰীয় প্ৰমাণৰ দ্বাৰা তাক জানিব পাৰা যায়। কামৰূপৰ ব্ৰাহ্মণসকল কেতিয়া, ক'ৰপৰা আহিল

কোনে স্থাপন কৰিলে ইত্যাদি বিষয় ইয়াত যথাসম্ভৱ আলোচনা কৰা হৈছে। এই সামান্য ইতিহাসখনিৰ দ্বাৰা পাঠক বৰ্গৰ যদি এজনৰো মনৰ সন্দেহ অলপমানো ভঞ্জন হয়, তেনেহলে এই ক্ষুদ্ৰ পুথিৰ উদ্দেশ্য সফল হৈছে বুলি ভাবিম। আকৌ যদি কোনোৱে এই বিষয় কিবা জানিব খোজে তেন্তে আমাক জনালে অতি আগ্ৰহেৰে জনাবলৈ সাজু থাকিলোঁ।

সৰ্ব্বশেষত কওঁ যে এই পুথিখনি প্ৰকাশ কৰোঁতে মই ভালেমানৰ ওচৰত ঋণী হৈছোঁ; বিশেষকৈ গুৱাহাটী শিলপুখুৰী ৰোডৰ স্বনামধন্য সমাজসেৱক মাননীয় শ্ৰীযুত দণ্ডী ৰাম বৰদলৈ ডাঙৰীয়াৰ ওচৰত। এই পুথি চিৰকাল কিজানি অন্ধকাৰতে থাকিলহেঁতেন, যদি তেখেতে নিজৰ বদান্যতা গুণত আৰু দেশৰ আৰু দহৰ উপকাৰৰ অৰ্থে ইয়াক প্ৰকাশ কৰিবলৈ সহায় নকৰিলেহেঁতেন। এতেকে তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই থলোঁ। ভগবানৰ ওচৰত প্ৰাৰ্থনা—এইদৰে সৎ কাৰ্য্যত সহায় কৰিলৈ তেখেতক দীৰ্ঘজীৱন দান কৰক। ইতি—

কামৰূপ জ্যোতিষ কাৰ্য্যালয়
গন্ধিয়া জীবানন্দ কুটীৰ
হেড্ অফিচ।

শ্ৰীআদ্যনাথ ভট্টাচাৰ্য্য জ্যোতিষৰত্ন।

"গ্রন্থকৰ্ত্তাৰ বংশাবলী ।"

আদিতে আছিলা বিষ্ণু পৃথিবীৰ পতি
উভয় সঙ্গমে জনমিলা মহামতি।
নৰকাসুৰ নামেতে বিখ্যাত হইলা
কামৰূপ অধিপতি বিষ্ণুই পাতিলা।
সদ্ব্ৰাহ্মণ কাশ্যপৰ বংশধৰ গনে
থাপিলেক কামৰূপে দেৱ ভগবানে।
বসতি কৰিবে দিলা প্ৰাগ্‌জ্যোতিষ ধাম
কালিকা পুৰাণে আছে ইয়াৰ প্ৰমাণ।
কাশ্যপৰ বংশধৰ মণিভদ্ৰ নাম
বিখ্যাত বুদ্ধিত দেখি অতি অনুপম।
জিতাৰি বংশৰ শতানীক নৰপতি
দান কৰি দিলা ভূমি পঞ্চশত পুৰি।
শুক্ৰেশ্বৰ দেৱালয়ে কৰি তেওঁ বাস
মন্দিৰত কৰে সদা ভাগৱত পাঠ।
তিথি নক্ষত্ৰাদি আৰু কৰে নিৰূপণ
ভোগৰাম নামে জন্মে তেওঁৰ নন্দন।
তন্ত্ৰ শাস্ত্ৰে ভোগৰাম অতি সুপণ্ডিত
শ্ৰীধৰ নামেতে তাৰ পুত্ৰ সুবিদিত।
পঢ়িলা অনেক শাস্ত্ৰ স্মৃতি জ্যোতিষাদি
বিখ্যাত বুদ্ধিত তেওঁ হৈলা মহাকবি।

বাসস্থান তুলি আনি পাতে লছিমাত
নিয়মিত কাজ কর্ম্ম কৰে মন্দিৰত।
জীৱন কালত তেওঁ গ্ৰন্থ বিৰচিলা।
জ্যোতির্ম্মালা আৰু বৰ্ষকৃত্য নাম দিলা।
তাহাৰ তনয় যাৰ উগ্ৰপাণি নাম
ভীমসেন নামে জন্মে তাহাৰ সন্তান।
ভীমসেন সুপণ্ডিত পৰহিতে ৰত
নাগাক্ষ নৃপতি মুগ্ধ তাহাৰ গুণত।
চতুৰ্দ্দশ শত তিয়াল্লিচ শকাব্দত
শুক্ৰেশ্বৰ হস্তে আনে শ্ৰীবিল্বেশ্বৰত।
পঞ্চাশত পুৰা দেবোত্তৰ দিলা তাৰে
বৰদেউৰীৰ পদে অভিষিক্ত কৰে।
গন্ধিয়া গ্ৰামত কৰি দিলা বাসস্থান
পূৰ্ব্বত আছিলা যিটো ফুলৰ বাগান।
ফুলৰ গোন্ধত সদা আমোদিত থাকে
সেই দেখি 'গন্ধিয়া' ইয়াৰ নাম ৰাখে।
ৰাজ কল্যাণাৰ্থে তেওঁ গ্ৰহপূজা কৰে
জ্যেষ্ঠা তিথিকৰ পদ দিলা নৰেশ্বৰে।
ৰমাকান্ত পুত্ৰ ৰাখি স্বৰ্গে কৰে গতি
তাহাৰ ঔৰষে পঞ্চ জন্মিলা সন্ততি।
চাৰিজন পুত্ৰ ভৈলা কন্যা ভৈলা এটি
বলভদ্ৰ ৰত্ননাথ জ্যেষ্ঠ পুত্ৰ দুটি।

পৰ্ব্বানন্দ জয়দেৱৰ কনিষ্ঠৰ নাম
কন্যা যে মালতীদেবি অতি অনুপম।
মালতীৰ তৈলা আহি বিবাহ সময়
আনিলা অচ্যুতানন্দে ব্ৰাহ্মণ তনয়।
ঘৰ জামাই কৰি বিয়া দিলা মালতীক
গৰ্ক্কিয়াত ভূমি দানি দিলা বসতিক।
তিনি পুত্ৰ এৰি স্বৰ্গে গৈলা পৰ্ব্বানন্দ
নৰসিংহ মহেশ্বৰ কনিষ্ঠ মুকুন্দ।
মহেশ্বৰ ঔৰষত দুটিয়ে তনয়
পৰ্ব্বানন্দ আৰু প্ৰাণনাথ নাম হয়।
প্ৰাণনাথপুত্ৰ শুকদেৱ মন্মথ
মন্মথৰ জ্যেষ্ঠপুত্ৰ হয় শিৱনাথ।
শিৱনাথ জ্যোতিষত অতি সুপণ্ডিত
চন্দ্ৰকান্ত মহাৰাজ চিন্তি তাৰ হিত।
চতুঃপঞ্চসাত পুৰা ভূমি ব্ৰহ্মোত্তৰ
সোতৰ শ তেসত্তৰ শকে দিলা গৰ্ক্কিয়াৰ।
মন্মথ কনিষ্ঠ পুত্ৰ ভৱনাথ নাম
তন্ত্ৰ আৰু জ্যোতিষত লভিলা সুনাম।
বাচলা মন্ত্ৰ পতন আৰু সামুদ্ৰিক
চাৰি পুত্ৰ জনমিলা সম যে কাৰ্ত্তিক
শম্ভুনাথ, দয়ানাথ, কেশৱ আচাৰ্য্য
চতুৰ্থৰ দীননাথ নাম কৰে ধাৰ্য্য।

বুদ্ধিমন্ত দীননাথ কৰি অতি কষ্ট।
উদ্ধাৰিলা গদ্ধিয়াৰ ব্ৰহ্মোত্তৰ লুপ্ত।
পৰম পণ্ডিত বিচক্ষণ মহাতেজা
পাণ্ডিত্য গুণত তাৰ তুষ্ট লুকিৰজা।
তাহাৰ অধীনত যে ঢকুৱাবান্ধা গ্ৰাম
বাৰপুৰা ব্ৰহ্মোত্তৰ ভূমি দিলা দান।
ভ্ৰমণ কৰিয়া দীননাথ দেশান্তৰে
গদ্ধিয়াত পালনাম প্ৰতিষ্ঠান কৰে।
কেশব আচাৰ্য্য সুপণ্ডিত মহামতি
সংগ্ৰহ কৰিলা তেওঁ বালবোধ স্মৃতি।
দয়ানাথ পুত্ৰ ভৈলা জীৱনাথ নাম
নানা শাস্ত্ৰ চৰ্চ্চা কৰি ৰাখিলা সুনাম।
বেজনীনৃপতি শ্ৰীকুমুদ নাৰায়ণ
পাতিলা ৰাজসভাত পণ্ডিত প্ৰধান।
কৰিলা ৰাজাৰ কোষ্ঠী মহাদশা গণি
থাপিলা কালী মন্দিৰ গদ্ধিয়াত আনি।
তত্ত্বচিন্তামনিগ্ৰন্থ কৰি অধ্যয়ণ
তাৰ পাচে কৰে তেওঁ বৈকুণ্ঠ পয়াণ॥
অষ্টাদশ শত চতুৰ্দ্দশ শতাব্দীত
শাওণ মাহত সোমবাৰ উপস্থিত।
সূৰ্য্যদেব উদিত দশদণ্ডবেলা
সেইকালে জীৱনাথে লীলা সম্বৰিলা।

প্ৰাচীন

কামৰূপীয় ব্ৰাহ্মণৰ ইতিহাস

——:*:——

১ম অধ্যায়

যোগিনী তন্ত্ৰৰ মতে পূবে ডিক্ৰাই আৰু পশ্চিমে কৰতোয়া নদীৰ মাজৰ ঠাই খিনিকে কামৰূপ বোলে।

পুৰাণত পোৱা যায় পূবে ললিতা আৰু কান্তা নদী (বশিষ্ঠাশ্ৰম) পশ্চিমে কৰতোৱা এই নৈ দুখনিৰ মধ্যবৰ্ত্তী ঠাইকে কামৰূপ বোলে। পূৰ্ব্বে ব্ৰহ্মাই ইয়াত জ্যোতিষশাস্ত্ৰ অনুশীলন কৰা বাবে "প্ৰাগজ্যোতিষপুৰ" ও বোলে। ত্ৰেতা যুগত ৰাম অবতাৰৰ পিচত যেতিয়া বিষ্ণুই নৰকাসুৰ আৰু পৃথিবীক সাবটি ধৰি গঙ্গামগ্ন হৈ "প্ৰাগজ্যোতিষপুৰ"ত ওলায়, তেতিয়া সেই প্ৰাগজ্যোতিষপুৰাধিপতি কিৰাত ৰজাই সদলে আহি বিষ্ণুক উৎপীড়ন কৰাত বিষ্ণুৰ আজ্ঞানুসাৰে নৰকাসুৰে কিৰাত ৰজাক মাৰি বাকী কিৰাতবোৰক ডিক্ৰাই নদীৰ পূৰ্ব্ব সীমাত ৰাখিলে। পিচত জনশূন্য প্ৰাগজ্যোতিষপুৰত বিষ্ণুই নৰকাসুৰক ৰাজ্যাভিষিক্ত কৰি আৰ্য্য থকা ঠাইৰপৰা বেদশাস্ত্ৰবিদ্ ব্ৰাহ্মণ পণ্ডিত আনি তাত বাসস্থান কৰি দিবলৈ ধৰিলে। সেই ব্ৰাহ্মণবিলাক বেদবাক্যৰত আৰু দান ধ্যান

পৰায়ণ আছিল। এইবিলাকৰ প্ৰমাণস্বৰূপ এই শ্লোক উদ্ধৃত কৰি দিয়া হ'ল।

"তস্মাৎ কিৰাতানুৎচাৰ্য্য বেদশাস্ত্ৰাভিগান বহুন
দ্বিজাতীন্ বাসয়ামাস তত্ৰ বৰ্ণান সনাতনান্।
বেদাধ্যায়ন দানানি সততং বৰ্ত্ততে যথা
তথা চকাৰ ভগবান মুনিভিৰ্বাসযান বিভুঃ॥
বেদ বাদ ৰতাঃ সৰ্ব্বে দানধৰ্ম্মপৰায়ণাঃ
নাচিৰাদ ভবেদ্দেশঃ কামৰূপস্তয় স্তদা॥

নাৰদ সংহিতাত দেখা যায়, জ্যোতিষ শাস্ত্ৰ বেদৰ প্ৰধান অঙ্গ চক্ষুৰ স্বৰূপ, ইয়াক ব্ৰাহ্মণেহে শিকিবৰ বিশেষ আৱশ্যক; কাৰণ ইয়াক নিশিকিলে স্মৃতি আৰু স্মাৰ্ত্ত-কৰ্ম্মৰ অধিকাৰী হব নোৱাৰে; সেই কাৰণে ইয়াক আগেয়ে সূৰ্য্য, ব্ৰহ্মা, ব্যাস, বশিষ্ঠ, অত্ৰি, পৰাশৰ, কাশ্যপ, নাৰদ, গৰ্গ, মৰীচি, মনু, অঙ্গিৰা, লোমশ, পুলস্ত, চ্যৱন, যবন, ভৃগু আৰু শুক্ৰ এই ওঠৰ জনে আগেয়ে জ্যোতিষ শাস্ত্ৰ শিকিছিল। বৃহৎ সংহিতাত দেখা যায়— "পূৰ্ব্ব জন্মাৰ্জ্জিত সদসৎকৰ্ম্মবিলাকো দৈবম্ তজ্জ্ঞানাতীতি তস্যভাবো দৈবজ্ঞত্বমিতি।"। পূৰ্ব্বজন্মাৰ্জ্জিত সৎ আৰু অসৎ কৰ্ম্মকে দৈব বোলে, সেই দৈব ফলক যি জনে জানে তেওঁৰেই 'দৈবজ্ঞ' ব্ৰাহ্মণ।

ৰামায়ণত লিখা আছে লঙ্কাপুৰাধিপতি ৰাৱণ ৰজাক শ্ৰীৰামচন্দ্ৰে বধোদ্যত হোৱাত সেই সময়ত হনুমানে মন্দোদৰী

বাণীৰপৰা ছলনাকৈ ৰাৱণৰ মৃত্যু বান আনিবলৈ যোৱাত তেওঁ-ৰেই দৈবজ্ঞ আৰু গণক নাম পাইছে।

স্কন্দ পুৰাণৰ অম্বিকা খণ্ডত "দুৰ্গা"কো দৈবজ্ঞ বোলা আছে। উক্ত পুৰাণৰে দশৰথ কৃত শনিৰ স্তৱত বশিষ্ঠকো দৈবজ্ঞ বুলি উক্ত আছে।

তন্ত্ৰত গণেশৰ ঋষি, গণক আৰু মিত্ৰাক্ষৰত কায়স্থকো গণক বোলা দেখা যায়। ভাগৱতৰ দশম স্কন্ধত শ্ৰীধৰস্বামী কৃত টীকাত গৰ্গমুনীক দৈবজ্ঞ বোলা প্ৰমাণ আছে। গাতকে "গণক" আৰু "দৈবজ্ঞ" এক দুটা গুণবাচক শব্দ যেনে—গণিত জানিলে গণক আৰু দৈব জানিলে দৈবজ্ঞ। এই ব্ৰাহ্মণবিলাকে পৰবৰ্ত্তী কালত কৰ্ম্ম ভগাই লোৱাত 'দৈৱক' আৰু 'পৈত্ৰিক' নাম পায়। 'দৈৱক' 'পৈত্ৰিক' শব্দ নিষ্কুট বিষ্ণু পুৰাণৰ পঞ্চদশ অধ্যায়ত উল্লেখ কৰি কৈছে—

প্ৰাপ্তে তু শ্ৰাদ্ধকালে তু পুনঃ সন্তান্ শ্ৰোত্ৰিয়াদিন্ নিমন্ত্ৰয়েৎ।
কৰ্ণয়েচ্চ তদৈবেষাং নিয়োগান পৈত্ৰদৈবিকান॥

গৰুড় পুৰাণ আৰু বৰাহ পুৰাণতো ইয়াৰ উল্লেখ আছে। শ্ৰাদ্ধপদ্ধতিতো দেখা যায় "ভো ভো বিশ্বদেবাদি ব্ৰাহ্মণা ভো ভো পিত্ৰাদি ব্ৰাহ্মণা" ইয়াৰ দ্বাৰাও দুই শ্ৰেণীৰ ব্ৰাহ্মণ থকা বুলি প্ৰমাণ পোৱা যায়। যিবিলাকে দেৱতাৰ উদ্দেশ্যে কৰ্ম্ম কৰে তেওঁবিলাকেই দৈৱিক আৰু যিবিলাকে পিত্ৰাদিৰ উদ্দেশ্যে কৰ্ম্ম কৰে তেওঁলোকেই পৈত্ৰিক। দৈৱিকদলে শ্ৰাদ্ধীয় দেবভাগ আজিলৈকেও পৰম্পৰাৰূপে ভোগ কৰি

আছিছে তদ্রূপ পৈত্রিক দলেও পিত্রাদিৰ ভাগ ভোগ কৰি আছিছে। কেইশমান বছৰৰেপৰা এই দুই শ্ৰেণী ব্ৰাহ্মণৰ ভিতৰত গোস্বামী, ভট্টাচাৰ্য্য, বৰুৱা, কটকী. ডেকা নামেৰে চলি আছিছে। ইয়াৰ বাহিৰেও পৈত্রিক দলৰ ভিতৰত মধু, পেটু, দাবা, খিং, কুন্দুকালে, কৰেতেপীয়া আৰু কানিকাথাও আছে দেখা যায়। যুগাতীত হলে ইয়ো এটা জাতিত পৰিণত হব। দৈৱিক পৈত্রিক এই দুই শ্ৰেণীৰ ব্ৰাহ্মণৰ ভিতৰত মাত্ৰ পৰস্পৰ কন্যা আদান-প্ৰদান আৰু সিদ্ধান্ন ব্যৱহাৰ নাই আন সকলো কৰ্ম্মই একে। সিদ্ধান্ন ব্যৱহাৰ, কন্যা-আদান-প্ৰদান যে কিয় নাই তাৰ কাৰণো আছে।

শাম্ব পুৰাণত দেখা যায় দ্বাপৰ যুগত বাসুদেৱৰ ঘৰত যেতিয়া শ্ৰীকৃষ্ণ অৱতাৰ হৈ জাম্বুৱতীক বিবাহ কৰায়, সেই জাম্বুৱতীৰ উদৰত শাম্বৰ জন্ম হয়। পিতৃ শাপ গ্ৰস্ত হৈ শাম্ব কুষ্ঠ ৰোগত অস্থি চৰ্ম্ম সাৰ হৈছিল। ৰোগৰ যন্ত্ৰনাত মহাকস্টে কাল কটাবলৈ ধৰোত কালক্ৰমে এদিন মহাতপা নাৰদমুনি শাম্ব-মন্দিৰত উপস্থিত হোৱাত শাম্বই পাদ্যাৰ্ঘাদি দ্বাৰাই তেওঁক অৰ্চ্চনাদি কৰাত পৰম আপ্যায়িত হৈ শাম্বক কলে "তোমাৰ ৰোগৰ শান্তিৰ নিমিত্তে সাক দ্বীপৰপৰা বেদ পাৰগ ব্ৰাহ্মণ আনি সূৰ্য্য পূজা কৰিলে তুমি এই ৰোগৰ-পৰা মুক্তি পাবা। ইয়াকে কৈ নাৰদে প্ৰস্থান কৰিলে। পিছত গৰুড়ৰ দ্বাৰাই শাম্ব-ৰাজ্যলৈ বেদ পাৰগ ব্ৰাহ্মণ অনাই সূৰ্য্যক উপাসনা কৰাত তেওঁ কুষ্ঠ ৰোগৰপৰা মুক্ত পালে,

সেই দিনাবধি শাম্বই তেওঁৰ ৰাজ্যত চন্দ্ৰভাগা নদীৰ পাৰত (পঞ্জাৱত) সূৰ্য্য মূৰ্ত্তি স্থাপন কৰি নিত্য অতুল অনুসাৰে পূজা কৰা বাবে আৰু দেৱতাৰ জীৱিকা গ্ৰহণ কৰা বাবে শাক দ্বীপী ব্ৰাহ্মণবিলাকে দেৱল নাম পায়। সেই দেৱলৰ ঔৰষে বৈশ্যানী গৰ্ভত গণক জাতিৰ উৎপত্তি হোৱা বুলি জাতি মালাত প্ৰকাশ কৰিছে :—

দেবলাদ্গণকো জাত বৈশ্যাগৰ্ভ সমুদ্ভবঃ,

তস্য বৃত্তিঃ প্ৰবক্ষামি তিথি বাৰ বিবেচনং।

এই গণকে তিথি, বাৰ, নক্ষত্ৰ, গ্ৰহগণৰ ৰাশ্যান্তৰ গমন এই বিদ্যাত মাত্ৰ জীবিবা পালে। বিপুঞ্জয় স্মৃতি আৰু জ্যোতিষ শাস্ত্ৰক লিখিছে :—

অন্ত্যজাস্বধমাঃ প্ৰোক্তা কচ্ছ কাপালিনা দয়ঃ।

তেষা-মন্নঞ্চ গোনিঞ্চ বিজ্ঞেয় মতি গহিতং॥

কাপালিকাদ্বয় ম্লেচ্ছা ত্ৰয় ম্লেচ্ছা প্ৰকীৰ্ত্তিতা।

গণকাশ্চোত্তমা ম্লেচ্ছা যতঃ কাপালিকা হিতে॥

শ্মশানা নিচ সৰ্ব্বানি মুখাগ্নিং কুৰুতে সদা।

তস্য কাপালিকা খ্যাতং ভ্ৰমন্তি নদীনা তটে

কোচ আৰু কাপালিকাই অধম অন্ত্যজ ইহঁতৰ সিদ্ধান্ন আৰু যোনি সংস্ৰৱ অতি নিন্দাৰ্হ। কোচ, কাপালিকা আৰু গণক এই কেইজাতিৰ ভিতৰত গণকেই উত্তম। কাপালিকা—অৰ্থাৎ যিজনে সকলোৰে শ্মশানৰ কৰ্ম্ম কৰি নদীৰ পাৰে পাৰে ফুৰে সেয়েই কাপালিকা নামে অভিহিত।

এই কাপালিকাবোৰক স্পৰ্শ কৰিলে পৰিধানীয় কাপোৰেৰে সৈতে স্নান কৰিলেহে শুদ্ধ হব।

গণক যে এটি আৰ্য্য জাতি বা কোনো স্ববৰ্ণজাত (বৰ্ণ শঙ্কৰ নোহোৱা) তাৰ প্ৰমাণ পোৱা নাযায়। এই জাতি যে ভিন্ন দেশীয় মহা ম্লেছ এই কথা বিপুঞ্জয় পুথিত স্পষ্টকৈ লিখা আছে, তাত কোনো সন্দেহ নাই। আৰু গণকে যে শ্ৰাদ্ধীয় দ্ৰব্য কব্যৰ কোনো প্ৰকাৰে অংশ পাব নোৱাৰে তাক পৰাশৰ গ্ৰন্থত, মহাভাৰতৰ অনুশাসিন পৰ্ব্বত আৰু মনুসংহিতা আদিত দেখিলে অনায়াসে শঙ্কা দূৰীভূত হব। কামৰূপীয় কোনো কোনো কবিক (পণ্ডিতক) দৈবজ্ঞ উল্লেখ ক'ৰলেও সেইটো উপাধি সঙ্গত, কাৰণ ভূতপূৰ্ব্ব ৰাজাধিৰাজসকলে তেওঁবিলাকক দেৱালয়ত কেতিয়াও উচ্চ পদত নিযুক্ত কৰি তাম্ৰ ফলিত "ওঁ ব্ৰাহ্মণায় নমঃ" বুলি ভূম্যাদি দান নকৰিলেহেঁতেন। অতএব কামৰূপীয় দৈবিক ব্ৰাহ্মণবিলাক যে উৎকৃষ্ট আৰ্য্য জাতিৰ বংশধৰ ইয়াত কোনো সংশয় নাই।

——:*:——

প্ৰাচীন

ব্ৰহ্মণ-ইতিহাস

—:*:—

২য় অধ্যায়।

শৈশৱসৃষ্টি—অৰ্থাৎ শিৱে যি বিলাক মানুহ সৃষ্টি কৰিলে সেই বিলাকৰ বিবৰণ।

শিৱ পুৰাণত লিখা আছে শিৱে যেতিয়া গিৰি ৰজাৰ কন্যাক বিবাহ কৰায় তাৰ পাচৰপৰাই শিৱৰ মনুষ্যৰ সৃষ্টি কৰিছে আৰু অষ্টভুজ গণেশৰ দ্বাৰাই আগম শাস্ত্ৰ লিখাই প্ৰজা-বিলাকৰ সুখ সাধন কৰিছে।

হিতায় সৰ্ব্ব জগতাং সম্ভো গাধাত্মনস্তথা।
দাৰাণ গ্ৰহিতু মিচ্ছমি তথা সন্তান বৰ্দ্ধয়ে॥
ইত্যুক্ত শঙ্কৰে নচৌ চাষ্ট বাহুৰ ভূত্ততঃ।
চতুৰ্ব্বিংশস্তে সং লিখ্য শিবায় বিনিবেদয়েৎ॥

হৰ-গৌৰী সম্বাদ তন্ত্ৰমতে অব্যয় পুৰুষ শিৱৰপৰা প্ৰথমে দৈৱজ্ঞৰ জন্ম হয় তাৰ পাছত মুখৰপৰা চাৰিবেদ সংযুক্ত ব্ৰাহ্মণৰ আৰু ক্ৰমাধ্বয়ে ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতিৰ জন্ম হয়। এইবিলাকৰ ভিতৰত দৈৱজ্ঞ শ্ৰেষ্ঠ আৰু দৈৱ-জ্ঞৰ অনুজ ব্ৰাহ্মণ, ব্ৰাহ্মণৰ অনুজ ক্ষত্ৰিয়, ক্ষত্ৰিয়ৰ অনুজ

বৈশ্য, আৰু বৈশ্যৰ অনুজ শূদ্ৰ বুলি প্ৰমাণ পোৱা যায়।

আদৌ দৈবজ্ঞ শম্ভূতো জ্যোতিষং পুৰুষোব্যয়ং
চতুৰ্ব্বেদ মুখাসীনং ব্ৰাহ্মণ স্তদন্তৰম্ ॥
ক্ষত্ৰিয়াৎ পৰতো বৈশ্য ক্ৰমে নৈৰতু শাশকঃ।
দৈবজ্ঞশ্চানুজো বিপ্ৰঃ বিপ্ৰাচ্চানুজ ক্ষত্ৰিয়
ক্ষত্ৰিয়াচ্চানুজো বৈশ্য বৈশ্যচ্চানুজ শূদ্ৰকঃ ॥

কালক্ৰমে ভগবান শিবে যেতিয়া পঞ্চ মুণ্ড ৰূপ ধাৰণ কৰে সেই সময়তো পাচোটি মুখৰপৰা ৫ টি ব্ৰাহ্মণৰ জন্ম হয়। তেওঁলোক সূৰ্য্য বিপ্ৰ, চন্দ্ৰ বিপ্ৰ, ভোজ বিপ্ৰ, নক্ষত্ৰ বিপ্ৰ আৰু গণক বিপ্ৰ নামে প্ৰসিদ্ধ। তেওঁলোককো দ্বিজ বা ব্ৰাহ্মণ বোলে। তেওঁবিলাকৰ বেদ শাস্ত্ৰাদিত অধিকাৰ আছে। কোনো এজন ব্ৰাহ্মণে বেতন গ্ৰহণ কৰি জ্যোতিষ শাস্ত্ৰ শিক্ষা দিলে তেওঁ গণক নামে অভিহিত হয়। দীপিকা চন্দ্ৰ আৰু ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত এই প্ৰমাণ পোৱা যায়।

ৰুদ্ৰস্য পঞ্চ শিৰ্ষেভ্যো জাতা পঞ্চ দ্বিজাতয়ঃ।
সূৰ্য্য বিপ্ৰশ্চন্দ্ৰ বিপ্ৰো ভোজ বিপ্ৰ স্তথৈবচ ॥
নক্ষত্ৰ গণক শ্চৈব দ্বিজাঃ পঞ্চ বিশ্বস্মৃতাঃ।
সৰ্ব্বেবৈ দ্বিজ ধৰ্ম্মানো বেদ শাস্ত্ৰাধি কাৰিণঃ ॥
বিপ্ৰশ্চ জ্যোতিৰ্গণনাদ্বেতনাচ্চ নিৰন্তৰ।
বেদাঙ্গস্য পৰিপ্ৰাপ্তেৰ্ব্বভূব গণকোভুবি ॥

শিবৰপৰা যিবিলাক জাতি উৎপন্ন হৈছে তেওঁবিলাক প্ৰায় শিব গোত্ৰি বুলি পুৰাণাদি শাস্ত্ৰত বহলাই লিখা আছে।

রুদ্রস্য বহুবঃ পুত্র শিব গোত্রস্য পালকাঃ।
বিস্তরেণ পুৰাণেন বর্ণিতাস্ত যথাক্রমম ॥

শিব ৰাজ্য বিষয় হৰ-গৌৰী সম্বাদৰ ২য় অধ্যায়ত লিখা আছে। বঙ্গ দেশৰ পূৰ্ব্ব সীমান্ত যি ঠাই এক কোটি শিব লিঙ্গৰ দ্বাৰা বিৰাজমান (কাশী) সেই ঠাইকে শিব ৰাজ্য বোলে এই শিব ৰাজ্য অঙ্গ, বঙ্গ, কলিঙ্গ (ৰাঢ়, মাকৰ, কর্ণপুৰ ত্রিপুৰা এইবিলাক ঠাইক তীর্থ যাত্রাৰ বাহিৰে আন কোনো কাৰণত গলে তেওঁ পুনঃ সংস্কাৰাদি হলেহে সমাজ প্রচলিত শুদ্ধ হব।

বঙ্গ দেশস্য যৎ পূর্ব্বং কোটি লিঙ্গ সমাশ্রিতং।
শিব ৰাজ্য সবিজ্ঞেয়ং ম্লেচ্ছ দেশাৎ পৰঃ শুভাঃ ॥
অঙ্গ বঙ্গ কলিঙ্গেষু ত্রিপুৰা শিব ৰাজ্যয়ো।
তীর্থ যাত্রা বিনা গচ্ছ সংস্কাৰেণ বিশুদ্ধতি ॥

নাৰদ সংহিতা, চন্দ্ৰোদয় আৰু জ্যোতিষ তত্ত্বত লিখা আছে যে ভগবানে যেতিয়া কুর্ম্মৰূপ অৱতাৰ ধাৰণ কৰি তেওঁৰ প্রত্যেক বিলাক অঙ্গতে পৃথিবীৰ সমুদায় দেশবিলাক কল্পনা কৰি লয়, তেতিয়া সেই অঙ্গৰ পুচ্ছ ভাগত, অর্থাৎ পশ্চিম সিন্ধু, কাশী মহাৰাষ্ট্র, সৌৰাষ্ট্র হৈছে আৰু শক দেশহে পৰিছে। গতিকে কামৰূপ বা প্রাগজ্যোতিষপুৰত এই শিব জাত আৰু শিব গোত্রি থকা প্রমাণ নাই। কোন কোন দেশত দৈবজ্ঞ জাতি স্বনামে পৃথক পৃথক অভিহিত আছে সেই বিষয় ব্রহ্ম যামলত লিখা আছে।

যেনে শড় দ্বীপত বেদাগ্নি; শাক দ্বীপত সাধক, মধ্য দেশত ব্ৰহ্মচাৰী, দ্বাৰকাত দৈবজ্ঞ দ্ৰাবিড় আৰু মিথিলাত গ্ৰহবিপ্ৰ, সাৰস্বতত শুভমুখ, গান্ধাৰত চিত্ৰ-পণ্ডিত, অঙ্গদেশত (ভোগপুৰ) ধৰ্ম্ম বক্তা, পাঞ্চালত শাস্ত্ৰী, তীৰক্ষেত্ৰ তিথি বিপ্ৰ, নাটকত বেদপাঠ, ব্ৰহ্ম দেশত বিধি ধাৰক, বভ্ৰাটত যোগবেত্তা, নেপালত দেব পূজক, ৰাঢ় দেশত উপাধ্যায়, গয়াত তন্ত্ৰ ধাৰক, কলিঙ্গত জ্ঞান বিপ্ৰ, গৌড় দেশত আচাৰ্য্য বোলে। প্ৰাগজ্যোতিষপুৰ বা কামৰূপ আধুনিক ৰাজ্য নহয়। যদিও কামৰূপত দৈবজ্ঞ জাতিৰ বাস থাকিলহেঁতেন তেন্তে এই ব্ৰহ্মযামলত প্ৰকাশ থাকিলহেঁতেন।

শৰদ্বীপেচ বেদাগ্নি শাক দ্বীপেচ সিদ্ধকঃ।
ভূমধ্যে চ ব্ৰহ্মচাৰী দৈবোজ্ঞো দ্বাৰকাপুৰে॥
দ্ৰাবিড়ে মৈথিলে চৈব গ্ৰহ বিপ্ৰেতি সংজ্ঞকঃ।
অঙ্গদেশে ধৰ্ম্ম বক্তা পাঞ্চালে শাস্ত্ৰি সংজ্ঞকঃ॥
সাৰস্বতে শুভমুখো গান্ধাৰে চিত্ৰ পণ্ডিতঃ।
তীৰক্ষেত্ৰে তিথি বিপ্ৰো নাটকে বেদ পাঠকঃ॥
কভ্ৰালে জ্যোতিষী বিপ্ৰো ব্ৰহ্মালে বিধি ধাৰকঃ।
বভ্ৰাটে যোগ বেত্তাচ নেপালে দেব পূজকঃ॥
ৰাঢ় দেশে উপাধ্যায়ো গয়াযাং তন্ত্ৰ ধাৰকঃ।
কলিঙ্গে জ্ঞান বিপ্ৰঃ স্যাদাচাৰ্য্যো গৌড় দেশতে॥

কুৰু পাণ্ডৱৰ যুদ্ধৰ পিছত নৰকাসুৰৰ বংশধৰ ভগদত্তৰ পুত্ৰেক ধৰ্ম্মপালে কামৰূপত ৰাজ সিংহাসনত বহে। তেওঁৰ

দিনত যজ্ঞাদি কৰ্ম্ম কৰাৰ নিমিত্তে কান্যকুব্জাদি দেশৰপৰা প্ৰধান শক্তি উপাসক ব্ৰাহ্মণ আনি নীলাচলত (কামাখ্যাত) বসতি কৰাই দিছিল বুলি হৰগৌৰী সম্বাদৰ ৬ষ্ঠ অধ্যায়ত ভবিষ্যৎ বাণী শিৱ উক্ত কৰি গৈছে।

যোগাদত্ত স্ত্ৰীণাং ধিমান্ ধৰ্ম্মপাল নৃপোত্তম।
চতুঃ পিঠ লিঙ্গ [illegible] ধৰ্ম্মতঃ পালয়িষ্যতি॥
[illegible] সমানীয় কান্যকুব্জাদি দেশতঃ।
[illegible] কৰ্ম্ম স্বয়ং [illegible] প্ৰজা পালয়িষ্যতি॥
কামৰূপঃ [illegible] [illegible] যাজকঃ।
[illegible] [illegible] [illegible] পাত্ৰকৌ॥ ইতি

হৰগৌৰী সম্বাদে ৬ষ্ঠ অধ্যায ২৭ পৃষ্ঠা

কামৰূপ (প্ৰাগ্জ্যোতিষপুৰ) ইয়াত আগে জ্যোতিষ শাস্ত্ৰৰ বিশেষ চৰ্চ্চা আছিল। [illegible] ৰজাবোৰেও জ্যোতিষ শাস্ত্ৰত [illegible] ৰাখি ৰাজ্য চলাইছিল। তেওঁলোক যুদ্ধাদিত অস্ত্ৰ কৰাৰ সময়তো জ্যোতিষ পণ্ডিতক লগত ৰাখি তেওঁৰ অনুমতি অনুসাৰে শত্ৰুপক্ষৰ প্ৰতি অস্ত্ৰ নিক্ষেপ কৰিছিল। আৰু জ্যোতিষিৰ পণ্ডিতসকলৰ পাণ্ডিত্য প্ৰভাৱ দেখি ভূমি সম্পত্তি আদিৰ সৈতে তামৰ ফলি আৰু মহোত্তৰ দিছিল।

কেইশমান বছৰৰ আগেয়ে বৰ কৈহাটী সত্ৰৰ হৰিমিশ্ৰ শৰ্ম্মাক আহোম ৰজা স্বৰ্গীয় শিৱসিংহ ৰজাই গণক বৰুৱা বাবত নিষ্কৰ ধৰ্ম্মোত্তৰ কৰি বহু মাটি দিছিল।

এদিন কথা প্ৰসঙ্গত বৰ কৈহাটী সত্ৰৰ স্বধৰ্ম্মনিষ্ঠ ব্ৰত

চন্দ্রনাৰায়ণ দেৱ গোস্বামীত তেখেতসকলৰ সত্ৰৰ ইতিবৃত্ত আৰু তেখেতসকলৰ ভাগী বংশ ক'ত ক'ত আছে এই বুলি সোধাত তেখেতে কলে "আমাৰ পূৰ্ব্ব পুৰুষ হৰিমিশ্ৰ তেওঁ শিৱসিংহ ৰজাৰ দিনত বহুত নিষ্কৰ মাটি পাইছিল। হৰিমিশ্ৰৰ পুত্ৰেক ৰামবল্লভ, তেওঁৰ পুত্ৰ ৰাঘবাচাৰ্য্য, তেওঁৰ পুত্ৰ গোপীনাথ। তেখেতে ১৭৫৬ শকত আপিল মোকৰ্দ্দমা কৰি এই ধৰ্ম্মোত্তৰ ভূমি উদ্ধাৰ কৰিছিল আৰু আমাৰ ভাগী বংশ সৰু কৈহাটী সত্ৰ, বৰ কৈহাটী সত্ৰ, জাগাৰা নপাটি মানেৰী, কুলপিল, পাটাপাৰা, বেজকুছি, বামুণবৰি, বালীসত্ৰ, আৰু হৰিপুৰ এই ১২ খন সত্ৰত আছে।" তেখেতসকল কি গোত্ৰৰ তাক সোধাত তেখেতে কলে আমাৰ গোত্ৰ বশিষ্ঠ গোত্ৰ। আৰু এই আটাই কেইখন সত্ৰৰেই বশিষ্ঠ গোত্ৰ।

এনেদৰে পেৰা-কাকত মেলি চালে বহুতো ব্ৰাহ্মণক গণক বুলি বহু মাটি নিষ্কৰ কৰি দিয়া দেখা যায়। তাৰে ভিতৰত তলত কেইখনমানৰ কথা উনুকিয়াই থোৱা হ'ল —

বৰ্ত্তমান পৈত্ৰিক ব্ৰাহ্মণ গামৰি মুৰি গাওঁৰ উমাপতি নামে কোনো এজ মানুহক ডিহিঙ্গীয়াৰ সকজনা বৰফুকনে গণক নামত বহুত ব্ৰহ্মোত্তৰ মাটি দিছে।

কৈঠালকুচি গাওঁৰ গত ১১৩৫ শকৰ পেৰা-কাকতত অৰ্থাৎ আহোম ৰজাৰ পিয়ালি কৰা কাকতত গণক নাম আছে; কিন্তু বৰ্ত্তমানে সেই গাওঁত গণক নামে কোনো

নাই; মাত্র পৈত্রিক ব্রাহ্মণহে আছে।

১৬৬৯ শকত প্রমত্ত নাৰায়ণ সিংহ ৰজাই দিয়া বৰ-ভাগৰ নন্দিগ্ৰামৰ (ন ন গাওঁ বা তিলানা) কবিচন্দ্ৰ শৰ্ম্মাৰ পুত্ৰ চণ্ডী দেউ গণক নামত ভূমি বৃত্তি দিয়া প্ৰমাণ আছে।

১৩৩৫ শকৰ পেৰা-কাকতত কটৰা গাওঁৰ "বীৰ হবিক" গণক নামত, বাদেশিলা গাওঁৰ "বিদ্যাভূষণ"ক দৈবজ্ঞ নামত আৰু তিলানা গাওঁৰ গণক নামত মাটি আছে। এতিয়া সেইবিলাক গাওঁত গণক বা দৈবজ্ঞ নামত কোনো নাই কেৱল পৈত্রিক ব্রাহ্মণ আৰু গোসাঞিহে আছে।

মোৰ প্ৰাপিতামহ স্বৰ্গীয় শিৱনাথ শৰ্ম্মা অধ্যাপকক ৰজাৰ দশ কোটি কৰি দিয়া আপছত আহোম বংশীয় চন্দ্ৰকান্ত সিংহ ৰজাই ১৩৩৭ শকত জীৰ্ণোদ্ধাৰ ব্ৰহ্মোত্তৰ পত্ৰ ৰচি দিছিল। এওঁক যিদৰে ভূমি দান কৰিছিল তাৰ শ্লোকটি তলত উদ্ধাৰ কৰি দিয়া হল।

অসৌমহিন্দ্ৰঃ সমযাচতেদং।
কৃতাঞ্জলিৰ্ভাবি নৰেন্দ্ৰ বৰ্গান্।
মযা প্ৰদত্তা দ্বিজবৃত্তিৰেসা।
পাল্যা ভবদ্ভিঃ কৃতিভিঃ কৃতজ্ঞৈ॥

আসাম-বুৰঞ্জী পাঠৰ ২য় অধ্যায়ত লিখা আছে ১৫১২ খৃষ্টাব্দত গড়গঞা ৰজাৰ বৰপুতেক চুখামফা ৰজা হয়। ৰজা হোৱাৰ অলপ পাছতেই কোচ সেনাপতি চিলাৰায়ে তেওঁৰ ৰাজ্য পুনৰাক্ৰমণ কৰে। তেওঁ দুৰ্ব্বল আছিল গতিকে

কিছুমান সৈন্যক গৰুৰ ওপৰত তোলাই লগুণ পিন্ধাই দি ৰণলৈ পঠালে। চিলাৰায বৰ ধৰ্ম্মভীৰু আছিল। গতিকে তেওঁ কলে "ভাল গো-বধ ওপৰে ব্ৰহ্ম-বধ, আমি এই যুদ্ধ নকৰো বলা।" এই বুলি কৈ তেওঁ ৰাজ্য জয় নকৰি ঘূৰি গ'ল। শুনা যায় যুদ্ধৰ পিছত সেই সৈন্যবিলাকক ৰজাই লগুণ এৰিব কোৱাত সৈন্যবিলাকে কলে "ৰজাই দিলে পায় আৰু লোপাই দিলে পায়" এই বুলি কৈ তেওঁ-লোকে লগুণ নেৰি বাহ্মণ হৈয়ে থাকিল। সেইদেখি ৰজাই সেই বামুণ থকা ঠাইবোৰৰ চাৰিওকালে শিলৰ গাঁটি মাৰ খোৱা বুলি ডবঙ্গৰ পিনে প্ৰবাদ শুনা যায়।

কামৰূপত গণক বা দৈবজ্ঞ জাতি থকা প্ৰমাণ কৰিব নোৱাৰি। এই দেশত সেইটো ভাল ব্ৰাহ্মণৰেই গুণ বাচক নহয়, যদিহে জাতি বাচক শব্দ হ'লহেঁতেন তেন্তে পৰা জ্যোতিষত কামৰূপ বা প্ৰাগজ্যোতিষপুৰৰ নাম লেখাগৈ থাকিলহেঁতেন। গতিকে এই কামৰূপ যে পবিত্ৰ ভূমি আৰু পবিত্ৰ জাতিৰ বাসস্থান তাত কোনো সন্দেহ নাই।

ইয়াৰ পিছৰপৰা কোনো ঠাইলৈ কোনো ৰজাই বামুণ অনা নাই আৰু নতুনকৈ অনা বুলি কোনো পুথিত উল্লেখ নাই।

সমাপ্ত